**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 02-05-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***::::::::::::::::::::::::::::::::::::::::::***

১। গুজৰাটৰ চুৰাটত আজি সামৰণি পৰা ভাইবেণ্ট গুজৰাট আঞ্চলিক সন্মিলনত অভিলেখ সংখ্যক ২ হাজাৰ ৭৯২ খন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়।

২। ধৰিত্ৰী বিজ্ঞান মন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে আজি চলিত মাহত পৰিবেশৰ উষ্ণতা বৃদ্ধিৰ আশংকা সন্দৰ্ভত জনসাধাৰণক উদ্বিগ্ন নহবলৈ পৰামৰ্শ দিছে।

৩। ৰন্ধন গেছৰ বিতৰণত কোনো ব্যাঘাত জন্মা নাই বুলি চৰকাৰে আজি নিশ্চিত কৰিছে।

৪। নিৰ্বাচন আয়োগে পৰহিলৈ পশ্চিমবংগৰ ভোটগণনাৰ বাবে অতিৰিক্ত গণনা পৰ্যৱেক্ষক আৰু আৰক্ষী পৰ্যৱেক্ষক নিয়োগ কৰিছে। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিডাম্বৰম ষ্টেডিয়ামত কিছুসময়ৰ পাছতে চেন্নাই ছুপাৰ কিংছ -মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

গুজৰাটৰ চুৰাটত আজি ভাইবেণ্ট গুজৰাট আঞ্চলিক শীৰ্ষ সন্মিলনৰ সামৰণি পৰে। এই সন্মিলনত ৩ লাখ ৫৩ হাজাৰ কোটি টকাতকৈ অধিক ব্যয়সাপেক্ষ অভিলেখ সংখ্যক ২ হাজাৰ ৭৯২ খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰিত হয়। সন্মিলনৰ সামৰণি অধিবেশনত কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই কয় যে দেশে গোলকীয় যোগান শৃংখলাত আহি পৰা প্ৰতিবন্ধকতাক সুযোগলৈ ৰূপান্তৰিত কৰা উচিত। তেওঁ লগতে কয় যে দেশ আত্মনিৰ্ভৰ নিৰ্মাণকেন্দ্ৰ হিচাপে গঢ় লৈ উঠা উচিত। স্থায়ী বিকাশ সুনিশ্চিত কৰাৰ লগতে নিৰ্মাণ সামৰ্থ ত্বৰান্বিত কৰাত দেশে অগ্ৰাধিকাৰ দিয়া বুলি তেওঁ প্ৰকাশ কৰে। এনে আঞ্চলিক সন্মিলনে বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে বুলিও তেওঁ মন্তব্য কৰে। অনুষ্ঠানত ভাষণ দি ৰাজ্যখনৰ উপ মুখ্যমন্ত্ৰী হৰ্ষ সাংঘৱীয়ে কয় যে এই শীৰ্ষ সন্মিলনৰ সময়ত স্বাক্ষৰিত চুক্তিসমূহৰ জৰিয়তে পৰৱৰ্তী ৩ বছৰত ২ লাখ ৮২ হাজাৰতকৈ অধিক যুৱক-যুৱতীৰ বাবে নিয়োগৰ সুবিধা সৃষ্টি হ'ব বুলি আশা কৰা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে এইবেলি বৌদ্ধ পূৰ্ণিমা উপলক্ষে লেহত তথাগতৰ সৈতে সম্পৰ্ক থকা পবিত্ৰ অৱশিষ্ট প্ৰদৰ্শন কৰাৰ বিষয়টো অতি আনন্দৰ। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে এই পবিত্ৰ অৱশিষ্টৰ কপিলাবস্তুৰ পিপৰাহ্ৱা স্তুপৰ সৈতে সম্পৰ্ক আছে। এই অৱশিষ্ট ১৯ শতিকাৰ শেষৰ বছৰসমূহত উদ্ধাৰ হোৱা বুলিও তেওঁ প্ৰকাশ কৰে। এই অৱশিষ্টসমূহে ভগৱান বুদ্ধৰ বাণীসমূহ প্ৰতিফলিত কৰে বুলিও তেওঁ উল্লেখ কৰে। অহা ১৪ মে'লৈ এয়া প্ৰদৰ্শনৰ বাবে ৰখা হ'ব বুলি উল্লেখ কৰি তেওঁ কয় যে পৰৱৰ্তী সময়ত

এই অৱশিষ্ট জংস্কাৰলৈ লৈ যোৱা হ'ব। লাডাখৰ জনসাধাৰণৰ বাবে শ্ৰদ্ধা প্ৰদৰ্শন কৰা এয়া সুবৰ্ণ সুযোগ বুলিও তেওঁ প্ৰকাশ কৰে। তেওঁ কয় যে ইয়াৰ জৰিয়তে লাডাখৰ আধ্যাত্মিক আৰু সাংস্কৃতিক পৰ্যটন ত্বৰান্বিত হ'ব।

০০০০০

ধৰিত্ৰী বিজ্ঞান মন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে আজি চলিত মাহত পৰিবেশৰ উষ্ণতা বৃদ্ধিৰ আশংকা সন্দৰ্ভত জনসাধাৰণক উদ্বিগ্ন নহ'বলৈ পৰামৰ্শ দিছে। নতুন দিল্লীত সংবাদমাধ্যমৰ আগত শ্ৰীসিঙে কয় যে দেশৰ কিছু অংশত স্বাভাৱিকতকৈ অধিক উষ্ণতা বৃদ্ধি হ'ব পাৰে যদিও সমগ্ৰ দেশতে এনে হোৱাৰ সম্ভাৱনা নাই। দেশৰ বতৰ বিজ্ঞান বিভাগে জাৰি কৰা নিৰ্দেশনা অনুসৰণ কৰাৰ লগতে উপযুক্ত প্ৰস্তুতিৰ জৰিয়তে এনে পৰিস্থিতিৰ মুখামুখি হোৱাটো সম্ভৱ বুলি তেওঁ মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে মে' মাহৰ দ্বিতীয় তথা চতুৰ্থ সপ্তাহত তুলনামূলকভাৱে পৰিবেশৰ উষ্ণতা বৃদ্ধিয়ে পূব উপকুলৰ লগতে উত্তৰ পশ্চিম, মধ্য আৰু পশ্চিম ভাৰতৰ কিছু অঞ্চলত গ্ৰীষ্মপ্ৰবাহ সৃষ্টি কৰিব পাৰে। অৱশ্যে মাহটোৰ প্ৰথম তথা তৃতীয় সপ্তাহত দেশৰ অধিকাংশ অঞ্চলত ধুমুহা গাজনীৰে সৈতে বৰষুণ তথা ভূমধ্য সাগৰীয় অঞ্চলত সৃষ্টি হোৱা ধুমুহাৰ ফলত স্বাভাৰিক তথা স্বাভাবিকতকৈ কম উষ্ণতা বাহাল থাকিব। উষ্ণতা বৃদ্ধিৰ ফলত সৃষ্টি হোৱা প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ চৰকাৰ প্ৰস্তুত হৈ আছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। ড° সিঙে নাগৰিকসকলক যথেষ্ট পৰিমাণে পানী খোৱাৰ লগতে উচ্চ তাপমান থকা কালত ঘৰৰ ভিতৰত সোমাই থকাৰ লগতে শাৰিৰীকভাৱে দুৰ্বলসকলৰ যত্ন লবলৈ পৰামৰ্শ দিছে।

০০০০০

ৰন্ধন গেছৰ বিতৰণত কোনো ব্যাঘাত জন্মা নাই বুলি চৰকাৰে আজি নিশ্চিত কৰিছে। পশ্চিম এছিয়াৰ সংঘৰ্ষজৰ্জৰ পৰিস্থিতিৰ মাজতে দেশত ঘৰুৱা ৰন্ধন গেছৰ যোগান এশ শতাংশই নিশ্চিত হৈ আছে বুলি চৰকাৰে প্ৰকাশ কৰিছে। পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ্ মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি দেশত কালিৰ দিনটোত ৰন্ধন গেছৰ চিলিণ্ডাৰৰ অনলাইন বুকিং ৯৯ শতাংশ বৃদ্ধি হোৱাৰ লগতে অ টি পি ভিত্তিত হোৱা বিতৰণে ৯৪ শতাংশ অতিক্ৰম কৰিছে। ৰন্ধন গেছৰ চিলিণ্ডাৰৰ ক'লা বজাৰ তথা অবৈধ মজুতকৰণ ৰোধ কৰাৰ অংশ হিচাপে চৰকাৰে লোৱা ব্যৱস্থাৰ অধীনত কালি দেশৰ বিভিন্ন প্ৰান্তত এহেজাৰ ৭০০ তকৈ অধিক তালাচী চলোৱা হয়। যোৱা এপ্ৰিলৰ পৰা ৫ কিলোগ্ৰাম ওজনৰ এফ টি এল চিলিণ্ডাৰ ২২ লাখ ৭৮ হাজাৰতকৈ অধিক তথা ৰন্ধন গেছৰ বাণিজ্যিক চিলিণ্ডাৰ ২ লাখ মেট্ৰিকটনতকৈ অধিক বিক্ৰী হোৱা বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। ৫ লাখ ৯৬ হাজাৰ পি এন জি সংযোগ কাৰ্যক্ষম কৰি তোলা হৈছে বুলি সদৰি কৰি মন্ত্ৰালয়ে উল্লেখ কৰে যে চলিত বৰ্ষৰ মাৰ্চৰ পৰা অতিৰিক্তভাৱে ২ লাখ ৬৮ হাজাৰ সংযোগ কাৰ্যক্ষম কৰি তোলাৰ বাবে কাম কাজ অব্যাহত আছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি কালিৰ দিনটোলৈ ৪৩ হাজাৰতকৈ অধিক পি এন জি গ্ৰাহকে তেওঁলোকৰ এল পি জি সংযোগ প্ৰত্যাহাৰ কৰিছে।

বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰালয়ে প্ৰকাশ কৰে যে সংঘৰ্ষজৰ্জৰ অঞ্চলত যোৱা ২৪ ঘণ্টাত কোনো ভাৰতীয় জাহাজ তথা ভাৰতীয় পতাকা থকা জাহাজ সম্পৰ্কীয় নেতিবাচক ঘটনাৰ তথ্য লাভ কৰা হোৱা নাই। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলৰ নিৰাপত্তা আৰু কল্যান সুনিশ্চিত কৰাৰ উদ্দেশ্যে এই অঞ্চলটোৰ গতিবিধি অবিৰতভাৱে লক্ষ্য কৰি আছে বুলিও মন্ত্ৰালয়ে প্ৰকাশ কৰে।

০০০০০

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে যোগাযোগ বিশেষজ্ঞ প্ৰসূন যোশীক প্ৰসাৰ ভাৰতীৰ অধ্যক্ষ হিচাপে নিযুক্তি দিছে। শ্ৰী যোশী জনপ্ৰিয় চলচ্চিত্ৰৰ গীত আৰু বিজ্ঞাপনৰ বাবে জনজাত। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে

কয়, যে তেওঁৰ নেতৃত্বত প্ৰসাৰ ভাৰতী নতুন উদ্যম আৰু সৃজনাত্মক শৈলীৰে কাম কৰি যাব। প্ৰসূন যোশী ইয়াৰ পূৰ্বে কেন্দ্ৰীয় চলচ্চিত্ৰ প্ৰমানীকৰণ পৰিষদৰ অধ্যক্ষ হিচাপেও কৰ্মৰত আছিল।

00000

পশ্চিমবঙ্গৰ দক্ষিণ ২৪ পৰগনা জিলাৰ দুটা বিধানসভা সমষ্টিৰ ১৫ টা কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ চলি আছে। বিয়লি ৫ বজা পৰ্য্যন্ত ভোটগ্ৰহণ কেন্দ্ৰকেইটাত সামগ্ৰিকভাৱে প্ৰায় ৮৭ শতাংশ ভোটদান হৈছে। মাগ্ৰাহাট পশ্চিম সমষ্টিৰ ১১ টা আৰু ডায়মণ্ড হাৰ্বাৰৰ চাৰিটা কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ কৰা হৈছে। এই কেন্দ্ৰকেইটাত ২৯ এপ্ৰিলত হোৱা ভোটগ্ৰহণত কিছু খেলিমেলি হোৱাৰ অভিযোগ পোৱাৰ পাছতে নিৰ্বাচন আয়োগে পুনৰ ভোটগ্ৰহণৰ নিৰ্দেশ দিয়ে। প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি, ভোটগ্ৰহণ প্ৰক্ৰিয়া শান্তিপূৰ্ণভাৱে চলি আছে আৰু কোনো ঠাইৰ পৰা হিংসা বা অপ্ৰীতিকৰ ঘটনাৰ বাতৰি পোৱা হোৱা নাই। অহা ৪ মে'ত ভোটগণনা কৰা হ'ব।

00000

নিৰ্বাচন আয়োগে পৰহিলৈ পশ্চিমবংগৰ ভোটগণনাৰ বাবে অতিৰিক্ত গণনা পৰ্যৱেক্ষক আৰু আৰক্ষী পৰ্যৱেক্ষক নিয়োগ কৰিছে। গণনা পৰ্যৱেক্ষকসকলক সহায় কৰা বাবে মুঠ ১৬৫ গৰাকী অতিৰিক্ত গণনা পৰ্যৱেক্ষক আৰু গণনা কেন্দ্ৰসমূহৰ চৌপাশে আইন-শৃংখলা বৰ্তাই ৰখাৰ বাবে ৭৭ গৰাকী আৰক্ষী পৰ্যৱেক্ষক নিয়োজিত কৰা হৈছে। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে ভোটগণনা নিৰাপদ, শান্তিপূৰ্ণ আৰু স্বচ্ছভাৱে সম্পন্ন কৰাৰ উদ্দেশ্যে এই ব্যৱস্থা লোৱা হৈছে। অৱশ্যে আয়োগে আৰক্ষী পৰ্যৱেক্ষকসকলে যিকোনো পৰিস্থিতিতে গণনা কক্ষত প্ৰৱেশ নকৰে বুলি স্পষ্ট কৰি দিছে।

000000

আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিমান পৰিবহন সংস্থা স্পিৰিট এয়াৰলাইন্সে সকলো সেৱা বাতিল কৰা বুলি ঘোষণা কৰিছে। সুলভ মূল্যৰ বিমান পৰিবাহী সংস্থা হিচাপে জনাজাত স্পিৰিট এয়াৰলাইন্সে পশ্চিম এছিয়াৰ সংঘৰ্ষৰ ফলত হোৱা ইন্ধনৰ মূল্য বৃদ্ধি তথা বিত্তীয় অসুবিধাৰ বাবে তৎকালে বলবৎ হোৱাকৈ সংস্থাটোৰ সকলো বিমান সেৱা বাতিল কৰিছে। সংস্থাটোৰ গ্ৰাহকসেৱাও বৰ্তমান উপলব্ধ নহয়। ইতিমধ্যে যাত্ৰা সংৰক্ষণ কৰা যাত্ৰীসকলক তেওঁলোকৰ ধনসমূহ ওভতাই দিয়া হ'ব বুলি ঘোষণা কৰি স্পিৰিট এয়াৰলাইন্সে তেওঁলোকক অন্য বিমান পৰিবহন সংস্থাৰ জৰিয়তে যাত্ৰা কৰাৰ পৰামৰ্শ দিছে। সংস্থাটো আকস্মিকভাৱে বন্ধ হৈ যোৱাত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিমান পৰিবহন খণ্ডত চাঞ্চল্যৰ সৃষ্টি হোৱাৰ লগতে কেইবাহাজাৰ যাত্ৰীৰ যাতায়াত ব্যাহত হৈছে।

00000

চত্তীশগড়ৰ নাৰায়নপুৰ জিলা সীমান্তৰ কংকেৰত আজি হোৱা আই ই ডি বিস্ফোৰণত তিনিজন সুৰক্ষা কৰ্মী নিহত হোৱাৰ লগতে এজন গুৰুতৰভাৱে আহত হয়। অঞ্চলটোত আজি জিলা সুৰক্ষা বাহিনীৰ এটা দলে আই ই ডি নিস্ক্ৰিয় কৰা অভিযানত যোৱা সময়তে এই বিস্ফোৰণৰ ঘটনাটো সংঘটিত হয়। বিগত কেইবামাহত জিলাখনৰ বাস্তৰ খণ্ডৰ পৰা বৃহৎ পৰিমানৰ আই ই ডি উদ্ধাৰ কৰা হৈছে বুলি আৰক্ষীয়ে জানিবলৈ দিছে।

000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিডাম্বৰম ষ্টেডিয়ামত কিছুসময়ৰ পাছতে চেন্নাই ছুপাৰ কিংছ -মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। টছত জিকি মুম্বাই ইণ্ডিয়ানছে  প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লয়।

০০০০০

ডেনমাৰ্কৰ হোৰছেন্সত অনুষ্ঠিত বেডমিণ্টনৰ থমাছকাপ ২০২৬ প্ৰতিযোগিতাৰ ফাইনেলত স্থান লাভ কৰাৰ বাবে ভাৰতীয় পুৰুষ দলটো ফ্ৰান্সৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাত কালি অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত চীনা টাইপেয়ীৰ বিৰুদ্ধে ৩-০ ফলাফলত অগ্ৰগতি লাভ কৰি ভাৰতীয় দলটো ইতিমধ্যে চেমিফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখযোগ্য যে কিলাকুটিৰ আঘাতৰ বাবে লক্ষ্য সেন ইতিমধ্যে প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। তেওঁৰ অনুপস্থিতিত  বিশ্বৰ ৩০ নম্বৰ স্থানৰ খেলুৱৈ কিদাম্বি শ্ৰীকান্তে খেলিব। ভাৰতৰ আয়ুষ ছেট্টীয়ে বিশ্বৰ চতুৰ্থ স্থানৰ খেলুৱৈ খ্ৰিষ্টো পোপোভৰ বিৰুদ্ধে  একক শাখাৰ খেলত অৱতীৰ্ণ হ'ব। এই প্ৰতিযোগিতাত কিদাম্বি শ্ৰীকান্তে বিশ্বৰ দশম স্থানৰ খেলুৱৈ এলেক্স লেনিয়াৰ আৰু এইচ এছ প্ৰণয়ে বিশ্বৰ সপ্তদশ স্থানৰ খেলুৱৈ টোমা জুনিয়ৰ পোপোভৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।  উল্লেখযোগ্য যে ছেমি ফাইনেলত অৱতীৰ্ণ হোৱাৰ লগে লগে ভাৰতে ইতিমধ্যে এটা পদক নিশ্চিত কৰিছে। ইয়াৰ পূৰ্বেও ভাৰতে ২০২২ চনৰ থমাছকাপত খিতাপ অৰ্জন কৰাৰ লগতে ১৯৫২, ১৯৫৫ আৰু ১৯৭৯ চনৰ প্ৰতিযোগিতাত ব্ৰঞ্জৰ পদক অৰ্জন কৰিছিল।

০০০০০

ঃঃ সমাপ্ত ঃঃ